# REGIONAL NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 16-03-2025
**Time :** 1845 hrs

ASSAMESE EVENING BULLETIN

## Headlines

**:::::::::::::::::::**

১। বড়োলেণ্ডৰ উন্নয়নৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰকাশ।

২। উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ বিশেষ বৈঠকত ফৌজদাৰী আইনসমূহৰ ৰূপায়ণৰ পৰ্যালোচনা। বৈঠকত গৃহমন্ত্ৰীৰ অধ্যক্ষতা।

৩। অসম আৰক্ষীৰ কনিষ্টবল আৰু সমপৰ্যায়ৰ অন্যান্য পদসমূহৰ লিখিত পৰীক্ষাৰ তাৰিখৰ সালসলনি।

৪। ডিমাছা কছাৰীৰ বীৰ শম্ভুধন ফংলোৰ ১৭৫ সংখ্যক জয়ন্তীত অসম বিশ্ববিদ্যালয়ৰ চৌহদত বীৰগৰাকীৰ প্ৰতিমূৰ্তি উন্মোচন।

**আৰু**

৫। বৰপেটা সত্ৰৰ বিখ্যাত দৌল মহোৎসৱৰ আজি সন্ধিয়া সামৰণি। গোৱালপাৰা জিলাৰ বিভিন্ন স্থানত আজি পৰম্পৰাগতভাৱে সুঁৱেৰি উৎসৱ পালন।

০০০০০০

বড়োলেণ্ডৰ উন্নয়নৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কোকৰাঝাৰত প্ৰকাশ কৰিছে। কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিবেশনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি শ্ৰীশ্বাহে কয় যে কেন্দ্ৰীয় চৰকাৰ বড়ো চুক্তিৰ সকলো দফা ৰূপায়ণ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। এই চুক্তিৰ ৮২ শতাংশ দফা ইতিমধ্যে ৰূপায়ণ কৰা হৈছে বুলি তেওঁ সদৰি কৰে। চুক্তিৰ বাকী থকা দফাসমূহ অহা দুবছৰৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। পূৰ্বে বড়োলেণ্ড হিংসাৰ বাবে জনাজাত আছিল বুলি উল্লেখ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে সম্প্ৰতি এই অঞ্চলৰ যুৱ চামে উন্নয়নক অগ্ৰাধিকাৰ দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিক্-দৰ্শনত এই অঞ্চলৰ যুৱ চাম মূলসুঁতিলৈ ঘূৰি অহা বুলি উল্লেখ কৰি তেওঁ বি টি আৰত সম্প্ৰতি শান্তি বিৰাজ কৰা বুলিও মন্তব্য কৰে। নতুন দিল্লীত শীঘ্ৰেই উপেন্দ্ৰনাথ ব্ৰহ্মাৰ নামেৰে এটা পথৰ নামকৰণ কৰা হ'ব বুলিও শ্ৰীশ্বাহে সদৰি কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মাৰ মূল্যবোধৰ দৰ্শন সকলোৰে বাবে পথ প্ৰদৰ্শক স্বৰূপ বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বি টি আৰ অঞ্চলৰ শৈক্ষিক আন্তঃগাঁথনি ত্বৰান্বিত কৰাৰ বাবে কেইবাটাও প্ৰকল্পৰ বিষয়ে ঘোষণা কৰে। ড০ শৰ্মাই  কোকৰাঝাৰ, গেলেপু, গুৱাহাটী ৰেলপথ, বড়োফাৰ সমাধি ক্ষেত্ৰৰ সংবৰ্দ্ধন তথা পহিলা মে'ত ৰাজ্যজুৰি বড়োফাৰ স্মৃতিতৰ্পন, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উন্নীতকৰণ, কোকৰাঝাৰ বিশ্ববিদ্যালয়ক পূৰ্ণাংগ বিশ্ববিদ্যালয় হিচাপে উন্নীতকৰণ, ওদালগুৰিত এখন নতুন মহাবিদ্যালয় স্থাপন, বড়োলেণ্ডত স্নাতক পৰ্যায়লৈ বড়ো ভাষা শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ, ৩৫খন উচ্চ মাধ্যমিক বিদ্যালয়ক আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ, অঞ্চলটোত এহেজাৰ ২০০ মেগাৱাট বিদ্যুৎ উৎপাদন কেন্দ্ৰ স্থাপনকে ধৰি কেইবাটাও পৰিকল্পনাৰ বিষয়ে সদৰি কৰে।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি বিয়লি উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে আয়োজিত এখন বিশেষ বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকত উত্তৰ পূৰ্বাঞ্চলত নতুন ফৌজদাৰী আইনসমূহৰ ৰূপায়ণৰ বিষয়ে পৰ্যালোচনা কৰা হয়। গৃহ মন্ত্ৰালয়ে আয়োজন কৰা এই বৈঠকত ৰাজ্য প্ৰশাসনৰসমূহৰ শীৰ্ষ বিষয়াসকলেও অংশগ্ৰহণ কৰে।

০০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে মুঠ ১০৭ গৰাকী প্ৰাৰ্থীয়ে তেওঁলোকৰ মনোনয়ন দাখিল কৰে। পৰিষদৰ অন্তৰ্গত মুঠ ৩৬টা সমষ্টিৰ ভিতৰত গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মুঠ ৫৫ গৰাকী আৰু কামৰূপ জিলাৰ ১৬টা সমষ্টিৰ বাবে ৫২ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে।

কামৰূপ জিলাৰ ১৬টা পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থীসকলে সংশ্লিষ্ট সহকাৰী ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ মনোনয়ন পত্ৰসমূহ দাখিল কৰে। বামুনীগাঁও পৰিষদৰ বাবে মনোনয়ন দাখিলৰ সময়ত বিজেপি প্ৰাৰ্থীগৰাকীৰ লগত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে। এইবেলি ৰাভা-হাচং পৰিষদীয় নিৰ্বাচনত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি আৰু বিজেপিৰ দলে পূৰ্বৰ মিত্ৰতা অক্ষুণ্ণ ৰাখি নিৰ্বাচনত অৱতীৰ্ণ হৈছে। সেয়েহে ৩৬টা পৰিষদীয় সমষ্টিৰ ভিতৰত ৩০টাত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি আৰু ৬টা বিজেপি দলে প্ৰাৰ্থী দিয়ে। উল্লেখযোগ্য কাইলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰি বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশ কৰা হ'ব। প্ৰাৰ্থীসকলে ১৯ মাৰ্চৰ বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব আৰু একেদিনাই বিয়লি নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

গণশিল্পী মঘাই ওজা কলাক্ষেত্ৰই প্ৰতিবছৰে প্ৰদান কৰি অহা গণশিল্পী মঘাই ওজা বঁটা এই বছৰ বিশিষ্ট শিল্পী তথা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত শিল্পী চৈয়দ চাদুল্লা লৈ আগবঢ়োৱা হৈছে। কালি যোৰহাটৰ হাতীগড় নাওশলিয়াত থকা মঘাই ওজা কলাক্ষেত্ৰত সমাজে আয়োজন কৰা গণশিল্পীগৰাকীৰ ৪৫ সংখ্যক মৃত্যু দিৱসত এই ঘোষণা কৰা হয়। উল্লেখযোগ্য যে, চৈয়দ চাদুল্লাই আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ দ্বাৰা ১৯৭৭ চনতে গণশিল্পীগৰাকীৰ তেওঁৰ ঢোলবাদন বাণীবদ্ধ কৰি তেওঁৰ স্মৃতি যুগমীয়া কৰি ৰাখিছিল। পৰৱৰ্তী সময়ত তেওঁ মঘাই ওজাক লৈ গীত ৰচনা কৰি আকাশবাণীত বাণীবদ্ধ কৰাৰ লগতে গণশিল্পীগৰাকীৰ জীৱন সম্পৰ্কীয় আলেখ্যও ৰচনা কৰিছিল। অহা ১৯ এপ্ৰিলত মঘাই ওজা কলাক্ষেত্ৰত হ'বলগীয়া বিহু সন্মিলনত এই বঁটা প্ৰদান কৰা হ'ব বুলি কলাক্ষেত্ৰ সমাজে প্ৰকাশ কৰিছে।

০০০০০

ডিমাচা কছাৰী বীৰ শম্ভুধন ফংলোৰ ১৭৫ সংখ্যক জয়ন্তী উপলক্ষে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি শিলচৰৰ অসম বিশ্ববিদ্যালয় চৌহদত বীৰগৰাকীৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। অনুষ্ঠানত শিক্ষামন্ত্ৰী গৰাকীয়ে কয় যে উত্তৰ পূৰ্বাঞ্চলৰ জনজাতীয় সম্প্ৰদায়ৰ লোকসকলে স্বাধীনতা সংগ্ৰামত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। স্বাধীনতা সংগ্ৰামীসকলৰ ভিতৰত ডিমাচা কছাৰী বীৰ শম্ভুধন ফংলো অন্যতম আছিল বুলি উল্লেখ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে ১৮৫৪ চনত ব্ৰিটিছ চৰকাৰে ডিমাচা কছাৰী ৰাজ্য দখল কৰাৰ পাছত বীৰগৰাকীয়ে

ব্ৰিটিছৰ বিৰুদ্ধে যুঁজ দি প্ৰাণ আহুতি দিয়ে। এনে সংগ্ৰামীসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো সকলোৰে কৰ্তব্য বুলি মন্ত্ৰীগৰাকীয়ে  উল্লেখ কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰীপেগুৱে অসম বিশ্ববিদ্যালয়ত বৃহৎ পৰিসৰৰ জনজাতীয় ঐতিহ্য সংগ্ৰহালয় নিৰ্মাণ কৰা হ'ব বুলিও ঘোষণা কৰে। এই সংগ্ৰহালয়ত বীৰছা মুণ্ডাকে ধৰি প্ৰতিটো জাতিৰ স্বাধীনতা সংগ্ৰামীৰ ইতিহাস উপস্থাপন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীপেগুৱে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰতো জনজাতীয় লোকসকলৰ বৰঙণিৰ প্ৰশংসা কৰে। অনুষ্ঠানত অসম বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, মন্ত্ৰী নন্দিতা গাৰ্লোছা, কৌশিক ৰায় তথা ধলাইৰ বিধায়ক নিহাৰ ৰঞ্জন দাসকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই টিংখং সমষ্টিৰ তিনঠেঙীয়া গাঁও পঞ্চায়তৰ অধীনৰ বৰহোলাৰ পৰা পন্ধুৰালৈ পথৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনিৰ অধীনৰ এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিকাশ যাত্ৰা পদক্ষেপৰ সৈতে সংগতি ৰাখি ৰাজ্য চৰকাৰ সৰ্বাত্মক প্ৰগতি ত্বৰান্বিত কৰাৰ বাবে সাজু হৈ উঠিছে।

ooooo

ৰাজ্য চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান তথা সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা আজি দিহিংচাং সমবায় লিমিটেডৰ উদ্যোগত জৈৱিক পদ্ধতিৰে কৰা কৃষিৰ উৎপাদনক উৎসাহিত কৰাৰ উদ্দেশ্যে বজাৰত বিক্ৰেতা হিচাপে উপস্থিত হয়। জিলাখনৰ মৰাণৰ দৈনিক বজাৰত ডিজিটেল তুলাচনীৰ সহায়ত আলু বিক্ৰীৰ নিদৰ্শনেৰে মন্ত্ৰীগৰাকীয়ে স্থানীয় কৃষকসকলক উৎসাহিত কৰাৰ প্ৰয়াস চলায়। উল্লেখযোগ্য যে সমবায় সমিতিখনৰ উদ্যোগত জিৰো টিলেজ আৰু জৈৱিক পদ্ধতিৰে মৰাণৰ কৃষি বীজপামত পৰীক্ষামূলকভাৱে কৰা খেতিত উৎপাদিত আলু আজি প্ৰতি কিলোগ্ৰামত ২০ টকা দৰত বিক্ৰী কৰা হয়। মন্ত্ৰীগৰাকীয়ে সদৰি কৰা অনুসৰি উদ্যমী কৃষক, আত্মসহায়ক গোট তথা যুৱপ্ৰজন্মক আৰ্থিকভাৱে স্বাৱলম্বী কৰা আৰু নতুনকৈ ব্যৱসায় কৰা সকলক উৎসাহিত কৰাৰ লক্ষ্যৰে টিংখাং সমষ্টিৰ বিভিন্ন ঠাইত আলু খেতি কৰা হৈছে।

oooo

ধেমাজি জিলাৰ চিলাপথাৰৰ দঞ্চি-পঃল সাংস্কৃতিক ক্ষেত্ৰত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে মিছিং জনগোষ্ঠীৰ উৎসৱ **গিনমুৰ পঃল দৃৰবৃ য়ুমদেং** আৰু কেন্দ্ৰীয় আলি-আঃয়ে-লৃগাঙৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। আজিৰ অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, জোনাই বিধানসভা সমষ্টিৰ বিধায়ক ভূবন পেগু, মিছিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়া আৰু পৰিষদৰ অধ্যক্ষ সুনীল পেগু উপস্থিত থাকে। এই অনুষ্ঠানতেই সাংসদ প্ৰদান বৰুৱাই চিলাপথাৰৰ দঞ্চি-পঃল সাংস্কৃতিক ক্ষেত্ৰত প্ৰায় ৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এহেজাৰ ২০০ আসন থকা অত্যাধুনিক প্ৰেক্ষাগৃহটো উদ্বোধন কৰে।

ooooo

বৰপেটা সত্ৰৰ বিখ্যাত দৌল মহোৎসৱৰ আজি সন্ধিয়া সামৰণি পৰে। এই মহোৎসৱৰ সামৰণিৰ দিনা আজি সমগ্ৰ বৰপেটা ফাকুৱাৰ ৰঙেৰে ৰঙীন হৈ পৰে। বিয়লি কলিয়া গোঁসাই তথা দৌলগোবিন্দ মহাপ্ৰভুক ভকতসকলে শোভাযাত্ৰা কৰি কলবাৰী সত্ৰলৈ লৈ যায়। সত্ৰত প্ৰতীকী ৰূপত হেকেটা মাহ খুওৱা পৰ্ব সম্পন্ন কৰাৰ পাছত গোঁসাইক পুনৰ বৰপেটা সত্ৰলৈ ওভতাই অনা হয়। সত্ৰ চৌহদত গোঁসাইক প্ৰবেশ কৰাৰ সময়তে

পৰম্পৰাগতভাৱে বাঁহ ভঙা পৰ্ব অনুষ্ঠিত হয়। এই পৰ্বত লক্ষ্মী দেৱীৰ ভক্তসকলে গোঁসাইক সত্ৰত প্ৰৱেশ কৰাত বাধা দিবলৈ প্ৰৱেশ পথত বাঁহ বান্ধি থোৱাৰ ৰীতি পালন কৰা হয়। গোঁসাইৰ ভক্তসকলে বাঁহ ভাঙি সত্ৰত প্ৰৱেশ কৰাৰ পাছত গোঁসাইক সত্ৰৰ মূল গৃহৰ চাৰিওদিশে সাত পাক প্ৰদক্ষিণ কৰোৱা হয়। ইয়াৰ পাছত পৰম্পৰাগতভাৱে বোলবুলনি নামৰ আন এক পৰ্ব অনুষ্ঠিত হয়। এই পৰ্বৰ অন্তত গোঁসাইক পুনৰ মণিকূট গৃহৰ আসনত অধিষ্ঠিত কৰোৱা হয়। দৌল মহোৎসৱৰ সামৰণিৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ বৰপেটা সত্ৰত আজি লক্ষাধিক লোকৰ সমাগম হোৱা পৰিলক্ষিত হয়।

ooooo

গোৱালপাৰা জিলাৰ বিভিন্ন স্থানত আজি পৰম্পৰাগতভাৱে সুৰেৰি উৎসৱ পালন কৰা হয়। দৌল উৎসৱৰ অংশ হিচাপে আয়োজিত এই উৎসৱত পৰম্পৰা অনুসৰি বিভিন্ন স্থানৰ পৰা কলিয়া গোঁসাইসকলক একেটা স্থানত একত্ৰিত কৰি আশীষ লোৱা হয়। তদুপৰি সমবেত লোকসকলে পৰস্পৰৰ দেহত ফাকু সানি ৰঙৰ উৎসৱ পালন কৰে। জিলাখনৰ বগুৱান, টিলাপাৰা, বাপুজী নগৰ আদি অঞ্চলত কেইবা হাজাৰ ভক্তৰ সমাবেশ ঘটে।

ooooo

উত্তৰ গুৱাহাটী শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰৰ দৌল উৎসৱত আজি চতুৰ্থ দিনাও অগণন ভক্তৰ সমাগম হয়। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা ভক্তসকলৰ হোলী গীত, নাগাৰা নাম আদিৰে মন্দিৰ প্ৰাংগণ মুখৰ হৈ উঠে। আজি নিশাৰ ভাগত দৌল গোবিন্দ মন্দিৰত ভাওনা প্ৰদৰ্শন কৰা হ'ব। কাইলৈ পুৱা প্ৰভুৰ পূজা-অৰ্চনা কৰি দিহিং সত্ৰলৈ শোভাযাত্ৰা উলিওৱা হ'ব। তাত ৰীতি-নীতিৰে প্ৰভুৰ পূজাৰ কৰাৰ পাছত ব্ৰহ্মপুত্ৰত স্নান কৰাই পুনৰ মণিকূট স্থাপন কৰাৰ পাছতে দৌল উৎসৱৰ সামৰণি পৰিব।

ooooo

লখিমপুৰ জিলা প্ৰশাসনৰ উদ্যোগত চি আই ডি এফ আঁচনিৰ অধীনত আজি অলপতে আধুনিকীকৰণ কৰা লখিমপুৰ জিলা গ্ৰন্থাগাৰ মুকলি কৰা হয়। গৃহ আৰু নগৰ পৰিক্ৰমা তথা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই গ্ৰন্থাগাৰটো মুকলি কৰি কয় যে এই পদক্ষেপৰ জৰিয়তে সমগ্ৰ অঞ্চলটোৰ জনসাধাৰণ উপকৃত হ'ব। এই পুঁথিভলাৰটোত বিজ্ঞান, ইতিহাস, সাহিত্য আৰু কলাকে ধৰি বিভিন্ন বিষয়ৰ আলোচনী, গ্ৰন্থ, পত্ৰিকা তথা বাতৰি কাকতৰ মেটমৰা সম্ভাৰৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি পুঁথিভৰালটোৰ সৈতে অত্যাধুনিক সা-সুবিধাৰে সজ্জিত এটা প্ৰেক্ষাগৃহও মুকলি কৰা হয়। আজিৰ অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা, বিধায়ক মানৱ ডেকা, লখিমপুৰ জিলা আয়ুক্তকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত গুৱাহাটীত কৰ্মৰত সাংবাদিকসকলে পৰিৱেশন কৰা **গান্ধাৰীৰ অভিশাপ** নামৰ ভাওনাৰ বিষয়ে বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব।

oooo

কাজিৰঙাত অহা ২২ মাৰ্চৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে কাজিৰঙা দবা মহোৎসৱৰ আয়োজন কৰা হৈছে। দবা প্ৰতিযোগিতাৰ লগতে মহোৎসৱত শিক্ষাৰ্থীসকলৰ বাবে বিনামূলীয়া দবা কৰ্মশালা, দবা আৰু পৰ্যটন

সম্পৰ্কীয় কুইজ, দবা খেলৰ বোলছবি প্ৰদৰ্শনীৰ আয়োজন কৰা হ'ব। কঁহৰাৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান উচ্চ মাধ্যমিক বিদ্যালয়ত ১০ বছৰ অনূৰ্ধ, ১৫ বছৰ অনূৰ্ধৰ আৰু মুকলি শাখাত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিটো শাখাৰ প্ৰথম ৫ গৰাকী বিজয়ীয়ে এক লাখতকৈ অধিক মূল্যৰ পুৰস্কাৰ লাভ কৰিব। মহোৎসৱৰ প্ৰথম দিনা স্থানীয় শিক্ষাৰ্থীসকলৰ বাবে দবা কৰ্মশালাৰ আয়োজন কৰা হ'ব। প্ৰতিযোগীসকলে কাইলৈৰ ভিতৰত অংশগ্ৰহণৰ বাবে পঞ্জীয়ন কৰিব পাৰিব।

০০০০০

সমাপ্ত